এহি বুলি যদুৰায় অমৃত নয়নে চাই
সমস্তকে তেখনে জীয়াইল।
শৰীৰক আইল জীৱ উঠি সৱে ভৈল থিয়
নিদ্রাৰ চেতন যেন পাইল।।
অন্যোঅন্যে বোলৈ চাই এহি বিষপানী খাই
এখনে আছিলো সৱে মৰি।
পুনৰপি জীলো আমি জানিলোহো কৃষ্ণ স্বামী
জীয়াইলা আমাক কৃপা কৰি।। ৫৬৯
কৃষ্ণৰ মহিমা দেখি নিৰন্ততে গোপসখি
পৰম বিস্ময় হুয়া আছে।
যমুনা জলক কৃষ্ণে নির্ম্মল কৰিবে মনে
কালীক খেদাইল তৈৰ পাছে।।
ৰাজা পৰীক্ষিত শুনি শুকত সোধন্ত কথা
সাৱশেষে কৈয়ো মুনিবৰ।
কি হেতু অনেক যুগ যমুনা জলত বঞ্চে
সিটো কালী মহা থলচৰ।। ৫৭০
একে সর্প মহাবল হ্রদৰো আগাধ জল
খেদাইলা কিমতে পায়া লাগ।
কৃষ্ণৰ অমৃত কথা পিয়ন্তে তৃপিতি নাই
কৈয়ো শুনো মুনি মহাভাগ।।
শুনিয়োক সর্ব্বজনে কৃষ্ণ কথা পিয়া কর্ণে
মুখ কিয় থাকৈ অৱজৱে।
কলিযুগে ৰাম নাম নলৈ কৰৈ আন কাম
নাহি আৰ মূর্খ তাত পৰে।। ৫৭১
নাজানে শাস্ত্রৰ মর্ম্ম কলিত কীর্ত্তন ধর্ম্ম
এৰি আন কর্ম্মসে বখানে।
নামত নকৰৈ ইচ্ছা পণ্ডিত বোলাৱৈ মিছা
জানা সিটো একোয়ে নাজানে।।
চাৰি বেদ ৰামায়ণ পুৰাণ ভাৰত যত
সৱাহাতে কহৱৈ হৰিক।
ইহাক নাজানি আন অর্থ কৰৈ ব্যাখ্যান
জানা সিটো মূর্খতো অধিক।। ৫৭২
কলি পাপ সাগৰত গৈল তল লোক যত
তথাপি চেতন নাই গাত।
কিনো আতি মূঢ়মতি পাপীকো কর্ম্মত ৰতি
কৰৈ শুনি হাসি উঠে আত।।

আস্ফোট কৰিয়া বাহু ডাম্ফ মাৰি পাছে।
উঠিলন্ত গৈয়া উচ্চ কদম্বৰ গাছে।
টলবল গাছ যেন যাই ভূমিকাম্প।
দিলা কৃষ্ণে আটোপে হ্রদৰ মাজে জাম্প।।৫৮০
জগতৰ গুৰু ভৰে পৰিলা প্রকাশি।
প্রচণ্ড শৱদে উথলিল জলৰাশি।।
ঊর্ম্মিৰ আন্দোলে জল পলম্পিল পুনু।
চতুভিতি গৈল জল একোশত ধনু।।৫৮১
অনন্ত বীর্য্যৰ সিটো কোন অদভূত।
পাচে আড়ম্বৰে কৃষ্ণে ক্রীড়িলা বহুত।
দুই বাহুদণ্ডে ডাম্ফি মাৰি মহাৰঙ্গে।
উথালন্ত জল যেন প্রমত্ত মাতঙ্গে।।৫৮২
চোটত আটাস পাৰৈ যেন হ্রদখণ্ড।
যায় দশোদিশে তাৰ শৱদ প্রচণ্ড।।
শুনিলেক কালী সিটো শৱদ কল্লোল।
গাৱত লাগিল গৈয়া জলৰ আন্দোল।।৫৮৩
নসহিলা পৰাভৱ ভয়ঙ্কৰ সর্পে।
সসৈন্যে আসিলা ক্রোধে খেদি মহাদর্পে।।
ফোফাই আতি তুলি সিটো সহস্রেক ফেট।
নির্ভয়ে ক্রীড়ন্ত কৃষ্ণে ভৈলা আসি ভেট।। ৫৮৪
পৰম সুন্দৰ ৰূপ লাৱণ্য প্রচুৰ।
দেখি কোটি কন্দর্পৰো দর্প হৰৈ চূৰ।।
কায় কন্তি আতি সিটো হ্রদক সুহাই।
একদৃষ্টি কালীয়ো নিহালি আছৈ চাই।।৫৮৫
নৱমেঘ সম শ্যাম তনু সুকুমাৰ।
তাতে পীতবস্ত্রে আতি কৰে জাতিষ্কাৰ।।
কমললোচন চান্দ বদন সুন্দৰ।
দশন কুন্দৰ কড়ি অৰুণ অধৰ।।৫৮৭
কুটিল অলকা পান্তি জ্বলৈ কপালত।
সুবলিত ৰত্নৰ তিলক ললাটত।।
উন্নত নাসিকা দেখি মুখে মন্দহাস।
মনক আহ্লাদৈ কোটি ইন্দুৰ প্রকাশ।।৫৮৭
শিৰত কিৰীটি জ্বলৈ ৰতনে উজ্জ্বল।
কর্ণত জ্বলন্তে আছৈ মকৰ কুণ্ডল।।
কণ্ঠত কৌস্তভ ৰত্ন শ্রীবৎস হিয়াত।
উৰস্থলে চটা দেখি লক্ষ্মীৰ সাক্ষাত।।৫৮৮

তোমাতে অর্পিলো পত্নী পুত্র অর্থ স্বামী।
তুমি অবিহনে কেনে এভো জীওঁ আমি।।
এহি বুলি গোপচয় অচেতন ভৈল।
পৃথিৱীত পৰি মহামর্ম্মে মূর্ছা গৈল।।৫৯৮
নিশ্চেষ্ট কৃষ্ণক দেখি যত গৰু গাই।
প্ররেশিল ভয় শোকে তৃণকো নাখায়।
কৃষ্ণ মুখ নিৰেখি থাকিলা কান্দি ৰহি।
চক্ষুৰ লোতক ধাৰা দণ্ডে যায় বহি।।৫৯৯
গোকুলত মিলিল মহন্ত উতপাত।
ঘনে ভূমি লৰৈ পৰৈ সঘনে নির্ঘাত।।
আনাবাতে উভৰি উভৰি পৰৈ তৰু।
বাটে বাটে আটাস পাৰন্তে ফুৰৈ ফেৰু।।৬০০
সঘনে বৰিষে মেঘে হালধি ৰুধিৰ।
কাম্পয় হৃদয় তনু মন নুহি থিৰ।
নেত্রৰ লোতক আতি বহে অবিশ্রাম।
যশোদাৰ দক্ষিণ নন্দৰ ফন্দে বাম।।৬০১
দেখি বিমঙ্গল গোপ গোপী ধাতু নাই।
ভৈলা দ্রুতে নন্দৰ মন্দিৰে একঠাই।।
সৱে বোলৈ বলাই আজি লগত নগৈল।
কৃষ্ণৰ তথাত কথা আথান্তৰ ভৈল।।৬০২
ঘোৰ ইটো উৎপাতে সাক্ষাতে যেন কৰৈ।
প্রাণবন্ধু মাধৱ মৰিল মনে লৰৈ।।
এহি বুলি শোকে কতো দুখে অচেতন।
কৃষ্ণক দেখিতে প্ররেশিলা বৃন্দাবন।।৬০৩
গোৱিন্দেসে সৱাৰো জীৱন মন প্রাণ।
আবাল পর্য্যন্তে যায় তেজি নিজ থান।।
হা কৃষ্ণ বুলি পাছে উচ্চাৰৈ বচন।
নন্দ যশোদাৰ আতি হৰিল চেতন।।৬০৪
হা বাপ কৃষ্ণ পুত্র কি দেখো বিলায়।
গোৱিন্দৰ খোজতে পৰন্তে দুয়ো যায়।।
লগতে চলন্ত বলো মনত হাসন্ত।
জানি কৃষ্ণ প্রভাৱক একো নাভাসন্ত।।৬০৫
মহা অসন্তোষে চলে গোৱাল গোৱালী।
কৃষ্ণৰ খোজক যায় পজাল নিহালী।।
ধ্বজ বজ্র পঙ্কজ অঙ্কুশ চিন চাই।
খোজতে পৰন্তে যায় শোকে ধাতু নাই।।৬০৬

হৰৈ শ্রুতি কতো তথা দিয়া থাকৈ চাই।
নেত্রৰ লোতক আতি ধাৰে বহি যায়।।
কৃষ্ণৰ সুন্দৰ বদনক চাই চাই।
কান্দন্ত যশোদা গুণ বর্ণাই বর্ণাই।।৬১৬
গোধূলি যাইবেক কোনে বংশীক বজাই।
কোনে গৈয়া মোক আৱে বুলিবেক আই।।
ধূলা জাৰি কাক নিয়া কৰাইবোহো স্নান।
কোনে কৰিবেক মোক গোৰখক পান।।৬১৭
বিচায়া শুৱাইবো কাক সুকোমল তুলি।
কাহাক ডাকিবো আজি জাগা কৃষ্ণ বুলি।।
সুন্দৰ বদনে কোনে বজাইবেক বেণু।
প্রভাতে মেলিয়া কোনে চাৰিবেক ধেনু।।৬১৮
কতেক জনমে তপসাই পাইলো তোক।
অল্পতে তেজিলি আনাথিতি কৰি মোক।।
কি ভৈল পুতাই আজি কৃষ্ণ মোৰ বাপ।
তোৰ যমকাল ভৈল কৈৰ ইটো সাপ।।৬১৯
পুতাইৰ লগতে পাপী মোকো মাৰ খাই।
ইটো আৰ চাৰ জীৱনত কার্য্য নাই।।
কৃষ্ণ অবিহনে এভো কেনে প্রাণ ধৰো।
এহি যমুনাৰ জলে জাম্প দিয়া মৰো।।৬২০
এহিমতে আতি মহাশোকে কান্দি কান্দি।
নিৰন্তৰে গোপ গোপীগণ নন্দ আদি।।
নপাৰি ধৰিতে চিত গোৱিন্দক চাই।
কালীৰ হ্রদত দুখে জাম্প দিবে যায়।৬২১
দেখন্ত অকার্য্য মিলৈ ৰাম মহাভাগ।
নযা নযা বুলি বলো ভেণ্টিলেক আগ।।
সর্পৰ দর্পক একেতিলে চূৰ কৰি ।
নাহি চিন্তা এতিক্ষণে আসিবন্ত হৰি।।৬২২
কৃষ্ণৰ আগত সর্প পতঙ্গ পৰায়।
খেদাইবন্ত দমি আক থাকা ৰঙ্গ চাই।।
বলোৰ বচনে ব্রজবাসী শান্ত ভৈল।
কৃষ্ণক আপেক্ষি কাখৰতে সৰে ৰৈল।।৬২৩
কৃষ্ণমুখে নিৰেখি নিজম পৰি আছে।
আত অনন্তৰে কথা শুনিয়োক পাচে।।
দেখা সর্ব্বলোকে কেন মহন্তৰ দুখ।
অনিত্য সংসাৰ আত কিছো নাহি সুখ।।৬২৪

বেঢ়ি তাক পাক ফুৰাইবে লাগিলা
চক্রাকাৰে চমৎকাৰ।
কালীয়ো কৃষ্ণক সমুখে ভ্রময়
তুলি ফেট ফটোকাৰে।।
ফুৰন্তে ফুৰন্তে হাৰাসাস্থি ভৈল
জানি জগতৰ নাথে।।
উচ্ছল কন্ধত ডেৰাই আড়ম্বৰে
চৰিলা কালীৰ মাথে।। ৬৩১
প্রচণ্ড উদণ্ড হাজাৰেক মুণ্ড
ছত্র যেন তুলি আছে।
তাক ভিৰি পাৰে নানা ভঙ্গি ভাৰে
নাচিবে লাগিলা পাছে।।
তাৰ শিৰোৰত্ন লাগি আতিৰঙ্গা
ভৈলা পাদ-পদ্ম দুই।
অখিল কলাৰ গুৰু নাৰায়ণ
নাচন্ত আনন্দ হুই।। ৬৩২
সিদ্ধ বিদ্যাধৰ গন্ধর্ব্ব চাৰণ
দেখিয়া নাচে উৎসুকি।
দুন্দুভি মৃদঙ্গ ৰঙ্গে বজাৱন্ত
তাল কৰতাল ঠুকি।।
কৃষ্ণগুণ গীত গাৱৈ ৰঞ্জি চিত
সুৰভি পুষ্প বৰিষে।
দেৱ মুনি যত থাকি আকাশত
বোলন্ত তুতি হৰিষে।। ৬৩৩
দেৱ শ্রীহৰি অঙ্গি ভঙ্গি কৰি
নাচা মৃদঙ্গৰ চেৱে।
ইফণাৰ পৰা সিফণাক লাগি
লাম্ফ দিয়া যান্ত ডেৱে।।
হাজাৰেক শিৰ ভৈল ছিৰাছিৰ
কৃষ্ণৰ ভৰিৰ গিৰি।
দুষ্মহ ভৰক সহিবে নপাৰৈ
যেন পৰৈ ঘৰে ছিৰি।। ৬৩৪
যিটো যিটো সিটো ননমাৱৈ মুণ্ড
প্রচণ্ড কালী নিষ্খলে।
তাতে তাতে চৰি ভৰিয়ে মর্দ্দন্ত
নৃত্যৰ ভঙ্গিৰ ছলে।।

নেত্রৰ লোতক ঝৰি পৰি যায় সৰসৰি
হাটফোট ফোকাৰে নিশ্বাস।
হা মোৰ প্রাণপতি হেনসে লভিলা গতি
কতো পাৰৈ সন্তাপে আটাস।।৬৩৯
হৃদয়ত জ্বলৈ আগি কৃষ্ণৰ পাশক লাগি।
শিশু আগ কৰি যায় চলি।
আথে বেথে গৈয়া লৰি আগে দণ্ডৰতে পৰি
প্রণামিলা কৰি কৃতাঞ্জলি।।
পাচে নাগপত্নীগণে স্বামীৰ মোক্ষক মনে
লৈল সৰে কৃষ্ণত শৰণ।
শুনিয়োক সর্ব্বজনে হৰি হৰি বোলা ঘনে
যাৰে আছে গাৰত চেতন।।৬৪০

———————

পঞ্চত্রিংশ অধ্যায়

পদ

নাগ পত্নীৰ স্তুতি

কৰাইবাক লাগি সৰে স্বামীক মুকুতি।
নাগপত্নীসকলে কৃষ্ণক কৈৰে তুতি।।
ঘোৰ অপৰাধ কৰিলেক স্বামী চণ্ড।
বিহিলা ইহাৰ প্রভু সমুচিত দণ্ড।।৬৪১
পুৰাণ পুৰুষ সনাতন তুমি হৰি।
দুষ্টক দণ্ডিবে লাগি আছা অৱতৰি।।
যদ্যপি তোমাৰ শত্রু-মিত্র নাহি কৰ।
দুষ্টকেসে দণ্ডা তথাপিতো তুমি দেৱ।।৬৪২
কিনো অনুগ্রহ আঙ্ক কৰিলাহা হৰি।
ভৈল সর্প জাতি ইটো যিটো পাপ কৰি।
ইটো দণ্ডে সিয়ো সৰে নশিল পাতক।
বৰতো অধিক দেখো তোমাৰ ক্রোধক।।৬৪৩
এৰি দম্ভ মান মদ ধৰি কষ্টব্রত।
ইটো সর্পে তপ কিনো কৰিলে পূর্ব্বত।।
কিবা ইটো ভূতদায়া আছিল আচৰি।
যিহেতু ইহাত তুমি তুষ্ট ভৈলা হৰি।।৬৪৪
তোমাৰ পাইলেক প্রভু পদধুলাচয়।
কিহেতু ইহাৰ হেন ভৈল ভাগ্যোদয়।।
যাক অহিলাষে লক্ষ্মী কায়ক্লেশ কৰি।

আউৰ পৰিশকতে ইহাৰ মিলৈ কাল।।৬৫৪
লাগৈ মানে ভৈল শাস্তি ভুঞ্জাইলা ইহাক।
নকৰিয়ো কৃপাময় আনাথ আমাক।।
পতিব্রতা নাৰীৰ স্বামীসে মোক্ষ প্রাণ।
আঞ্চল পাতিয়া আমি মগো স্বামীদান ।।৬৫৫
এহি বুলি কান্দয় কৃষ্ণৰ পাৱে পৰি।
নয়নৰ পৰৈ আতি লোতক নিগড়ি।।
পতিৰ সন্তাপে প্রাণ ফুটি যেন পৰে।
স্ত্রীৰ কাৰুণ্যে কৃপা সম্পজিল বৰে।।৬৫৬
বিমূর্চ্ছিত কলীকো দেখিয়া কৃষ্ণদেৱে।
সর্পৰ শিৰৰপৰা নামিলন্ত ডেৱে।।
ধাতু নামি আইল জীলে কথং কথমপি।
যমৰ পুৰৰপৰা আইল পুনৰপি।।৬৫৭
পাচে কিছো কিছো কৰি কেঙ্কাই শ্রুতি পাই।
মেলিলেক আখি আতি হতাসে ফোফাই।।
জানিলেক কৃষ্ণ এন্তে জগতৰ নাথ।
কৰিলে প্রণাম নমাই হাজাৰেক মাথ।।৬৫৮
মহা বেদনাত তাৰ মুখে নাসৈ মাত।
লাসে লাসে বোলৈ কৃতাঞ্জলি কৰি হাত।।
সহজে দুর্জ্জন আতি ক্রূৰ সর্প জাতি।
সর্ব্বক্ষণে নুগুচৈ আমাৰ ক্রোধ আতি।।৬৫৯
স্বভাৱে দুস্ত্যেজ দেৱ কি কহিবো আমি।
নানাবিধ জন্তুক তুমিসে স্রজা স্বামী।
সৱাতো অধিক ক্রোধী ভৈলো আমি প্রায়।
নাহি আন ক্রূৰ আৰ আমাত বিনায়।৬৬০
দেখিয়োক প্রভু কেন মোৰ অহঙ্কাৰ।
গর্ব্বমদে চিন্তিলো তোমাৰ অপকাৰ।।
দর্পচুৰ কৰি কিনো কৰিলাহা ভাল।
গুচিল আজিসে মোৰ চক্ষুৰ পটাল।।৬৬১
আৱেসে জানিলো তুমি পৰম ঈশ্বৰ।
মৰষিয়ো দোষ আমি তোমাৰ কিঙ্কৰ।।
নুগুচোক মোৰ তযু চৰণত ৰতি।
আজ্ঞা কৰা কি কৰিবো ত্রিজগত পতি।।৬৬২
হেন শুনি হাসি হৰি দিলন্ত উত্তৰ।
চল সাগৰক ঐৰ সত্বৰে অন্তৰ।।
লগতে লৱোক পুত্র পত্নী নিৰন্তৰ।

বিষ বীর্য্য গর্ব্বে গৰুড়কো নগণয়।।৬৭২
দুর্ব্বিনয় কদ্রুৰ তনয় মহানাগ।
আপুনিয়ো নেদৈ একো বলি বঁটা ভাগ।।
আনেবা বঢ়াৱৈ যৈত তৈকে যায় চলি।
গৰুড়ক কদর্থি দুর্জ্জনেভূঞ্জে বলি।।৬৭৩
হেন শুনি গোৱিন্দৰ প্রিয় পক্ষীৰাজ।
কালীক গর্জ্জিয়া যুজিবাক ভৈলা সাজ।।
মহাকোপে আটোপে বধিবে আসা ধাই।
পর্ব্বত শিখৰ খসি লগতে উৰাই।।৬৭৪
খলকিয়া সাগৰ কাখৰ পলম্পিল।
যেন আকালতে মহাপ্রলয় মিলিল।।
গৰুড় আসন্ত খেদি দেখি কালী বীৰ।
উপৰক তুলি সিটো সহস্রেক শিৰ।।৬৭৫
চেলেকৈ কৰাৰি মুখ আখি আৰকত।
বতাস সোসাই যেন ফোফাই ক্রোধত।।
খণ্ড খণ্ড কৰৈ মেঘ লাঞ্জৰ আছাৰে।
গৰুড়ক ধাইলে সর্প দর্পে চমৎকাৰে।।৬৭৬
দুইকো দুই খেদিয়া ধৰিল খঙ্গে পাই।
যেন মেৰু অঞ্জন পর্ব্বত একে ঠাই।।
লগাইলে কোলাৰ ঘাৰমোৰ বান্ধ ভিৰি।
আন্দোলা আন্দোলি কৰে দুয়ো দুইক পীড়ি।।৬৭৭
কৰন্ত আক্রান্ত আতি দুয়ো মহাবল।
দলদোপ পৃথিৱী আটোপে টলবল।।
গৰুড়ক ধৰি পাছে সর্প মহাঘোৰ।।
হাজাৰেক মুখে খঙ্গে ভেজাইলে কামোৰ।৬৭৮
একৈ একৈ দান্ত যেন লাঙ্গলৰ ইশ।
গৰুড়ৰ সর্ব্বগাৱে লগাইলেক বিষ।।
বিষ্ণুৰ বাহন বীৰ বিষক নগণি।
কোপে জ্বলিলন্ত যেন তুলাত অগনি।৬৭৯
চাম্প দিয়া কালীয়ো ধৰিল ঠোঠে ঘালি।
শৰীৰৰ মাংস নখে পেলাইলা বখালি।।
বাম ডউখা উল্লাসি বৈসাইলা পখা চাট।
কালীৰ মিলিল আসি মৰণৰ ঘাট।।৬৮০
গৰুড়ৰ দুষ্মহ পখাৰ পায়া চোট।
জিহবা মেলি দান্ত তৰি পৰি সর্পগোট।।
নকৰে চেতন বীৰবিহ্বল পৰায়।

দেখি গোপগোপী সঙ্গে আতি উল্লসিল ৰঙ্গে
প্রাণ পাইলে যেন তনুগণ।
জীলো জীলো বুলি ধৰি লগাইলেক গলাগলি
আনন্দে ভৰিল সৰে মন।। ৬৮৯
ৰোহিণী যশোদা নন্দে আনন্দে কান্দন্ত ধৰি
গোপীগণো সন্তাপ নিস্তৰি।
মিলিল মনত সুখ কৃষ্ণৰ কমল মুখ
মধু পিৱৈ নেত্রভৃঙ্গ ভৰি।।
প্রভাৰ জানিয়া হাসি ৰামো সাৱটিলা আসি
বিপ্রগণে বোলৈ শুনা নন্দ।
গ্রহিলেক কালী কালে আইলা কৃষ্ণ ভালে ভালে
কিনো ভৈল পৰম আনন্দ।। ৬৯০
যশোদা কৃষ্ণক গই সাৱটি কোলাত লই
স্নেহে ভৈলা বিহ্বল স্বভাৱ।
ঘনে ঘনে ঘ্রাণে শিৰ ঝৰয় নয়ন নীৰ
তিন্তিল কৃষ্ণৰ সর্ব্ব গাৱ।।
জুৰাইল হৃদয় আতি কৃষ্ণক বোলন্ত মাতি
কিয় কালীহ্রদে দিলা জাম্প।
গোসাই ৰাখিলে তোকে ক্ষণিতেকে মৰো শোকে
অদ্যাপি নুগুচৈ হৃদি কাম্প।।৬৯১
কৃষ্ণৰ দেখিয়া মুখ পাসৰিলা সৰে দুখ
উলসিল যত গাই গৰু।
কৃষ্ণৰ সন্তাপে তঞি আছিলেক যিবা জঞি
পিঞ্জৰি মঞ্জৰৈ সৰে তৰু।।
এহিমতে ব্রজবাসী নেত্র যেন পিয়ৈ আসি
হৰি পদপঙ্কজৰ ৰস।
দুৰন্ত চিন্তাক তৰি আনন্দে হৃদয় ভৰি
কৰৈ আতি উলস মালস।। ৬৯২

সপ্তত্রিংশ অধ্যায়

দুলড়ী

বনাগ্নি পান

অনন্তৰে তৈতে আনন্দে আছন্তে
ৰাত্রি অন্ধকাৰ ভৈল।
কৃষ্ণৰ লগত গোপ গোপী যত
যমুনা তীৰতে ৰৈল।।

বায়া মুখ মহাসুখে পিলা বনাগ্নিক মুখে
সমস্তে সুমৰৈ ধৰ্ম্ম ধৰ্ম্ম।
অনন্ত শকতিধৰ মহেশ্বৰ মাধৱৰ
নুহি অদভুদ ইটো কৰ্ম্ম।।৬৯৭
দেখি গোপ গোপীগণে কহৰৈ বিস্ময় মনে
নন্দসুত নোহন্ত মানুষ।
সাক্ষাতে লক্ষ্মীৰ পতি যিটো ভকতৰ গতি
এন্তে সেহি পৰম পুৰুষ।
কৰিলন্ত অৱতাৰ খণ্ডিৱন্ত মহাভাৰ
আত কিছো নাহি অন্যৱথা।
মাধৱক প্রশংসিয়া আনন্দে নধৰৈ হিয়া
জুমা জুমি কৰৈ এহি কথা।।৬৯৮
অনন্তৰে দেৱহৰি মোহন বংশীক ধৰি
দিলা ডাক যাইবাৰ নিশান।
আগ কৰি গৰু গাই কৃষ্ণক আৱৰি যায়
যত লগৰীয়া গোপগণ।।
কতো শিঙ্গা বংশী বাৱে তাতে ধৰিগুণ গাৱে
কতো কৰৈ মহিমা কীর্ত্তন।
অধৰে অর্পিয়া বংশী ঈষত কটাক্ষ হাসি
চায়া যান্ত নন্দেৰ নন্দন।।৬৯৯
গোপীগণো চলি যায় কৃষ্ণৰ চৰিত্র গাই
মনে ধৰি কৃষ্ণৰ চৰণ।
প্রেমৰসে দ্রৱৈ চিত তনু আতি ৰোমাঞ্চিত
হৰিষতে শিথিল গমন।।
এহিমতে দেৱহৰি পৰম আনন্দ কৰি
ভৈলা গৈয়া ব্রজত প্রৱেশ।
মহাভাগৱত পদ শুনিয়োক সভাসদ
হৌক নাশ সংসাৰৰ ক্লেশ।।৭০০
জন্মৰ এহিসে হেতু ৰামনামে বান্ধি সেতু
সংসাৰ সাগৰে হোৱা পাৰ।
শুনা সৱে অভিপ্রায় নাম বিনে গতি নাই
চাৰিয়ো বেদত নাম সাৰ।।
জানি আন পৰিহৰি সুদৃঢ় বিশ্বাস কৰি
লৱা নাম তেজি আন কাম।
চলিবা বৈকুণ্ঠলোক পুৰুষ উদ্ধাৰ হোক
নিৰন্তৰে বোলা ৰাম ৰাম।।৭০১